**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2024

**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::**

অসমৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত বিজেপি, কংগ্ৰেছ, অগপ, এ আই ইউ ডি এফ, তৃণমূল কংগ্ৰেছ, বিপিএফ, ইউ পি পি এলকে ধৰি বিভিন্ন ৰাজনৈতিক দলসমূহৰ মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে।

উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৫টা সমষ্টিত ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এইদৰে কয় -

**বাইট - অনুৰাগ গোৱেল**

উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত বিৰোধী মৰ্চাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত কংগ্ৰেছৰ তত্বাৱধায়ক ড° জিতেন্দ্ৰ সিঙৰ উপস্থিতিত কংগ্ৰেছৰ নেতাসকলৰ লগতে বিৰোধী মৰ্চাৰ নেতাসকলে আসন্ন উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্বৰ ভাগ-বটোৱাৰা সন্দৰ্ভত আলোচনা কৰে।

আনহাতে, ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও আজি অধিসূচনা জাৰি কৰা হ'ব। অহা ১৩ নৱেম্বৰত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৰাজ্যখনৰ ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। এই পৰ্যায়ৰ বাবে ২৫ অক্টোবৰ মনোনয়পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৮ অক্টোবৰত মনোনয়পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৩০ অক্টোবৰলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। ৰাজ্যখনত এইবেলি দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁটে আসনৰ ভাগ-বাটোৱাৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ উদ্দেশ্যে মিত্ৰ দলসমূহৰ সৈতে আলাপ-আলোচনা অব্যাহত ৰাখিছে।

০০০

উৎকোচ লৈ হাতে লোটে ধৰা পৰা অসম সচিবালয়ৰ আৱকাৰী অধীক্ষক কাৰ্যালয়ৰ শাখা বিষয়া পাৰ্থ হাজৰিকাৰ বিৰুদ্ধে শীঘ্ৰেই অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব। এই সন্দৰ্ভত অসম চৰকাৰৰ আৱকাৰী বিভাগৰ আয়ুক্ত সচিবে সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিবলৈ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ বাবে এখন পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে বাৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে শ্ৰীহাজৰিকাই নগদ ধনৰ লেনদেন কৰা অৱস্থাত হাতে লোটে ধৰা পৰি গ্ৰেপ্তাৰ হয়। ইতিমধ্যে তেওঁৰ বিৰুদ্ধে দূৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে দূৰ্নীতি প্ৰতিৰোধ আইনৰ অধীনত এটা গোচৰ ৰুজু কৰিছে। অভিযুক্ত শাখা বিষয়াগৰাকী সম্প্ৰতি দূৰ্নীতি নিৰীক্ষণ সঞ্চালকালয়ৰ জিম্মাত আছে।

০০০

ভাৰতীয় নৌসেনাৰ মেঘালয়ৰ পৰা আৰম্ভ কৰা নৰ্থ ইষ্ট অ'ডিচি শীৰ্ষক মটৰ চাইকেল অভিযানৰ আজি সেনা বিষয়া ৰাজেশ পেন্ধেৰকাৰে শুভাৰম্ভণি কৰে। উত্তৰ পুব ভাৰতৰ মেঘালয়, অসম, আৰু অৰুণাচল প্ৰদেশৰ যুৱক-যুৱতী আৰু নাগৰিক সমাজৰ মাজত নৌ সেনা সন্দৰ্ভত সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে ভাৰতীয় নৌসেনাই এই অভিযান হাতত লৈছে। ইয়াৰ পূৰ্বে ২০২২ চনতো সেনা বিভাগটোৱে উত্তৰ পূৰ্বাঞ্চলত আৰু ২০২৩ চনত লাডাখত একেধৰণৰ প্ৰচেষ্টা হাতত লৈছে। এই অভিযানৰ লগত সংগতি ৰাখি তিনিওখন ৰাজ্যত অগ্নিপথ আঁচনিৰ অধীনত তথা নৌ বাহিনীত পেছাদাৰী উন্নতিৰ লগতে নাৰীসকলৰ অন্তৰ্ভুক্তিকৰণ সন্দৰ্ভতো সজাগতা সৃষ্টি কৰা হয়।

০০০

কৰিমগঞ্জ জিলা প্ৰশাসনৰ সহযোগত জিলা শিশু সুৰক্ষা গোটে জিলাখনৰ শিক্ষকসকলৰ সৈতে শিশু সুৰক্ষা বিষয়ৰ ওপৰত আজি জিলা পৰ্যায়ৰ এটা প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানত বক্তাসকলে শিশু বিবাহ নিষেধাজ্ঞা আইন, শিশু শ্ৰম নিষেধাজ্ঞা আইন, পকছ' আইন, শিশু সৰবৰাহ আইন আদিৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰে। অনুষ্ঠানত কৰিমগঞ্জ জিলা শিশু কল্যাণ সমিতিৰ অধ্যক্ষগৰাকীয়ে সমাজৰ প্ৰতিটো শিশুৰ সুৰক্ষা ক্ষেত্ৰত আমি সকলোৱে সচেতন আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি মন্তব্য কৰে। অনুষ্ঠানত সহকাৰী আয়ুক্ত, জিলা শিশু বিষয়া আৰু জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

০০০

কোকৰাঝাৰ জিলাৰ কাজিগাঁও থানাৰ অন্তৰ্গত শান্তিপুৰত যোৱা ৪ অক্টোবৰত সংঘটিত গুলিচালনাৰ ঘটনাৰ সৈতে জড়িত দুজন ব্যক্তিক আৰক্ষীয়ে আটক কৰে। ভাৰতীয় ষ্টেট বেংকৰ এখন চি এছ্ পিৰ স্বত্ত্বাধিকাৰী যুৱকক দুৰ্বৃত্তই গুলিচালনা কৰি নগদ ধন কাঢ়ি নিয়া সন্দৰ্ভত কচুগাওঁৰ দুজন ব্যক্তিক আটক কৰে বুলি মহকুমা আৰক্ষী বিষয়াই এখন সংবাদমেলৰ জৰিয়তে প্ৰকাশ কৰে। আৰক্ষীয়ে ধৃত ব্যক্তিদ্বয়ৰ পৰা এটা পিষ্টল আৰু কিছুসংখ্যক গুলি উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে।

০০০

ঃঃ সমাপ্ত ঃঃ